তোমালোকৰ মাজৰ কোনোবাই যেতিয়া ইমামৰ আগত মূৰ তোলে, তেতিয়া সি ভয় নকৰে নেকি যে, আল্লাহে হয়তো তাৰ মূৰটো গাধৰ মূৰৰ দৰে কৰিব পাৰে অথবা তাৰ আকৃতি গাধৰ আকৃতিৰ দৰে কৰি দিব পাৰে।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ মাজৰ কোনোবাই যেতিয়া ইমামৰ আগত মূৰ তোলে, তেতিয়া সি ভয় নকৰে
নেকি যে, আল্লাহে হয়তো তাৰ মূৰটো গাধৰ মূৰৰ দৰে কৰিব পাৰে অথবা তাৰ আকৃতি গাধৰ
আকৃতিৰ দৰে কৰি দিব পাৰে।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আাইহি অছাল্লামে সেইসকল লোকক কঠোৰ সতৰ্কবাণী দিছে, যিসকলে ইমামৰ আগত (ছাজদাৰ পৰা বা ৰূকুৰ পৰা) মূৰ তোলে। অৰ্থাৎ আল্লাহে তাৰ মূৰক গাধৰ মূৰৰ দৰে কৰি দিব পাৰে অথবা তাৰ আকৃতিক গাধৰ আকৃতিত ৰূপান্তৰিত কৰিব পাৰে।

http://www.sunnah.global/hadeeth/as/show/3086